*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

**Postal Redg. No. GH- 098/ 2015 - 17**

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৭ সংখ্যা, ১১ আঘোণ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

*RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 47 * Date Of Publication - 28 November 2021 Rs.5.00/-*

## অসম-মিজোৰাম সীমা বিবাদৰ স্থায়ী সমাধানৰ বাবে দুয়ো ৰাজ্যৰ এখনকৈ কমিটী গঠন



ৰঙিলী বাৰ্ত্তাসেৱা - কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উদ্যোগত নতুন দিল্লীত অসম আৰু মিজোৰামৰ মুখ্যমন্ত্ৰীৰ মাজত অনুষ্ঠিত হোৱা এক গুৰুত্বপূৰ্ণ বৈঠকত সিদ্ধান্তগ্ৰহণ কৰে যে অসম-মিজোৰাম সীমা বিবাদৰ স্থায়ী সমাধানৰ বাবে দুয়ো ৰাজ্যই এখনকৈ কমিটী গঠন কৰিব। শাসক-বিৰোধী উভয় পক্ষৰ প্ৰতিনিধিক সদস্য হিচাপে লৈ গঠন কৰিবলগীয়া দুই ৰাজ্যৰ কমিটীয়ে নিৰৱচ্ছিন্ন আলোচনাৰ জৰিয়তে সীমা সমস্যাৰ স্থায়ী সমাধান সূত্ৰ

*(পাঁচ পৃষ্ঠাত চাওক)*

## সম্পাদকীয়ঃ সুখৰ বতৰা




বৰ্ষটোৰ শেষৰ ফালে অসমখনলৈ আহিল নিঃসন্দেহে এক সুখৰ বতৰা। আঠগৰাকী ব্যক্তি য়ে লাভ কৰিলে সন্মানীয় "পদ্ম বঁটা। দেশৰ ১১৮ গৰকী ব্যক্তিয়ে লাভ কৰিলে এই সন্মান। প্ৰথমেই সকলোকে মোৰ আন্তৰিক অভিনন্দন জনালোঁ। সকলোৱে তেওঁলোকৰ অসাধাৰণ কৰ্মৰাজীৰ বাবে লাভ কৰিলে এই সন্মান। কিন্তু সুখৰ কথা এইখিনিতে এইবাৰ লাভ কৰিলে কেইজনমান সাধাৰণ ব্যক্তিয়ে তেওঁলোকৰ অসাধাৰণ কৰ্মৰাজিৰ বাবে। সেই কেইগৰাকী হ'ল বিৰুবালা ৰাভা, তুলসী গৌড়া, হাৰেকালা হাজাব্বা আৰু যশয়ন্তীবেন পপাত। দূৰদৰ্শনৰ স্ক্ৰীনত নাম কেইটা দেখাৰ পৰাই কলমটোৱে একলম লিখাৰ বাবে মগজুক তাগিদা দি আছিল। কিন্তু পাখি লগা সময়ে যেন মোক অলপো আহৰি দিয়া নাছিল কলমটো হাতত ল'বলৈ। আজি সময় সুবিধা সকলো মিলিতত তেওঁলোকৰ বিষয়ে একলম নিলিখাকৈ নোৱাৰিলোঁ। জীৱনত বহুতো ঘাত-প্ৰতিঘাত, ভাবুকি, কটুক্তি, সমালোচনা, ৰোগ-ব্যাধি আদিৰ দৰে বহুতো সমস্যাৰ সন্মুখীন হৈও লক্ষ্য স্থিৰ কৰি আগবাঢ়ি গ'ল এই গৰাকী মহিলা। জীৱনৰ ৭৭ টা বসন্ত গৰকা কৰ্ণাটকৰ আদিবাসী মহিলা তুলসী গৌড়া। ধুনীয়া ধৰণীখনক সেউজ কৰাই যেন তেওঁৰ জীৱনৰ মুলমন্ত্ৰ। ৬০টা বছৰত ৩০ হাজাৰ গছৰ পুলি ৰুইছে এইগৰাকী মহিলাই। তাৰোপৰি নিজৰ সংস্কাৰ বজাই ৰাখি খালী ভৰিৰে 'পদ্মশ্ৰী' সন্মান ল'বলৈ যোৱাটো আজিৰ দিনত এটা বিৰল পৰিঘটনা। এতিয়া আহো হাৰেকালা হাজাব্বাৰ কথালৈ। পেচাত মাংগালুৰুৰ এজন কমলা বেপাৰী। বিদ্যালয়ৰ দুৱাৰদলিত ভৰি দি নোপোৱা হাৰেকালাই কিন্তু জীৱনৰ পৰা শিকিছিল শিক্ষাৰ মুল্য। ব্যক্তিগত জীৱনত ঘটা এটা সৰু ঘটনাৰ পৰা দেখিছিল এটা সপোন। দৈনিক নিজৰ উৰ্পাজনৰ ডেৰশ টকা সঞ্চয় কৰি সপোন বাস্তৱ কৰিছিল। নিজে নপঢ়িলে কি হ'ব আনক পঢ়োৱাই অদৰ্শ দাঙি ধৰিলে হাৰেকালা হাজাব্বাই। এতিয়া আহো ৯৪ টা বসন্ত পাৰ কৰা যশবন্তীবেন পপাতলৈ। সকলোৱে আগত দাঙি ধৰিলে বাণিজ্যিক ক্ষেত্ৰখনত মহিলাৰো যে দখল আছে। ১৯৫৯ চনত মাত্ৰ ৮০টকাৰে আঠগৰাকী মহিলাসহ পপাতে আৰম্ভ কৰা ব্যৱসায়টোৱে হ'ল আমাৰ বুঢ়াৰ পৰা ল'ৰা লৈকে সকলোৰে মাজত জনপ্ৰিয় 'লিজ্জত পাপৰ'। এই সকলোবোৰৰ পৰাই ইয়াকে বুজা যায় যে যদি আমাৰ মাজত সাহস আৰু ইচ্ছা শক্তি থাকে, তেনেহ'লে এই পৃথিৱীত কৰিব নোৱাৰা কাম একো নাথাকে।শেষত তেওঁলোকৰ কৰ্মৰাজিয়ে আমাৰ নতুন প্ৰজন্মক উৎসাহ দিয়ক তাৰে আশাৰে বাট চাই ৰ'লো।

## গুজৰাটত প্ৰধানমন্ত্ৰী গতিশক্তি সম্বন্ধীয় আঞ্চলিক সন্মিলনত উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সাণোৱালে

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সাণোৱালে গুজৰাটৰ গান্ধীনগৰত পশ্চিম অঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী গতিশক্তি সন্দৰ্ভত অনুষ্ঠিত আঞ্চলিক সন্মিলনত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথৰাজ্যিক মন্ত্ৰী শ্ৰীপদ য়েছানোয়ক, মধ্য প্ৰদেশৰ ঔদ্যোগিক নীতি আৰু বিনিয়াগে মন্ত্ৰী ৰাজবৰ্ধন সিং দাৰ্ডিগাঁও, ৰাজস্থানৰ গড়কাপ্তানি মন্ত্ৰী ভজন লাল জাটাভৰ উপস্থিতিত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ অধীনত দীনদয়াল বন্দৰ ন্যাসে এই আঞ্চলিক সন্মিলনৰ আয়াজেন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মাদীয়ে যাৱো ১৩ অক্টোবৰত মাল্টি-মডেল সংযাগেৰ ওপৰত ঐতিহাসিক প্ৰধানমন্ত্ৰী গতিশক্তি-ৰাষ্ট্ৰীয় মাষ্টাৰ প্লেন মুকলি কৰিছিল। প্ৰধানমন্ত্ৰী গতিশক্তি মূলতঃ এক ডিজিটেল



মঞ্চ যিয়ে ১৬টা মন্ত্ৰালয়ক একত্ৰিত কৰিছে আৰু আন্তঃগাঁথনিমূলক সংযাগে প্ৰকল্পসমূহৰ সামগ্ৰিক পৰিকল্পনা আৰু ইয়াৰ সমন্বিত ৰূপায়ণত অগ্ৰাধিকাৰ দিছে। ইয়াৰ অধীনত ভাৰতমালা, সাগৰমালা আৰু অভ্যন্তৰীণ জলপথ, বন্দৰ, উড়ান আদিৰ দৰে আন্তঃগাঁথনিমূলক আঁচনি অন্তৰ্ভুক্ত কৰা হ'ব। দেশৰ সংযাগে ব্যৱস্থা অধিক উন্নত কৰিবলৈ আৰু অভ্যন্তৰীণ বেপাৰ-বাণিজ্যক অধিক প্ৰতিযাগেিতামূলক কৰি তুলিবলৈ প্ৰধানমন্ত্ৰী গতিশক্তিৰ অধীনত টে'টাইল ক্লাষ্টাৰ, ফাৰ্মা ক্লাষ্টাৰ, প্ৰতিৰক্ষা কৰিড'ৰ, ইলেক্ট্ৰনিক পাৰ্ক, ঔদ্যোগিক কৰিড'ৰ, মাছ ধৰা গাটে, কৃষি ক্ষেত্ৰ আৰু অন্যান্য অৰ্থনৈতিক কেন্দ্ৰসমূহে সামৰি লোৱা হ'ব। তদুপৰি এই ৰাষ্ট্ৰীয় মাষ্টাৰ প্লেনে মাল্টি-মডেল সংযাগেীকৰণ বৃদ্ধি কৰিব আৰু পৰিবহণৰ এটা মাধ্যমৰ পৰা আন এটা মাধ্যমলৈ যাত্ৰী, সা-সামগ্ৰী আৰু অন্যান্য সেৱাৰ চলাচলৰ ক্ষেত্ৰত

*(পাঁচ পৃষ্ঠাত চাওক)*

# আইন উলংঘাকাৰী বাহনৰ বিৰুদ্ধে পৰিবহণ বিভাগৰ অভিযান



ৰঙিলী বাৰ্তাসেৱা- কামৰূপ মহানগৰ জিলাৰ নৱনিযুক্ত উপায়ুক্ত আৰু আঞ্চলিক পৰিবহণ প্ৰাধিকৰণৰ অধ্যক্ষ পল্লব গোপাল ঝাই গুৱাহাটী মহানগৰীত যাত্ৰীৰ পৰা নিৰ্ধাৰিত পৰিমাণতকৈ অধিক বা বৰ্দ্ধিত ভাড়া আদায় লোৱা যাত্ৰীবাহী বাহনৰ লগতে হেলমেট পৰিধান নকৰা দুচকীয়া আৰু ছিটবেল্ট ব্যৱহাৰ নকৰা চাৰিচকীয়া বাহন চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা পৰিবহণ বিষয়াক (প্ৰৱৰ্তক) নিৰ্দেশ দিছে ।উপায়ুক্তৰ নিৰ্দেশত আনদিনাৰ দৰে জিলা পৰিবহণ বিষয়া (প্ৰৱৰ্তক) হিমাংশু কুমাৰ দাসৰ নেতৃত্বত প্ৰৱৰ্তক পৰিদৰ্শক, সহকাৰী প্ৰৱৰ্তক পৰিদৰ্শক আৰু প্ৰৱৰ্তক চেকাৰ সকলে গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ ধাৰাপুৰ চাৰিআলি আৰু দক্ষিণ কামৰূপৰ মিৰ্জাৰ সমীপত ৰাষ্ট্ৰীয় ঘাইপথত এক আকস্মিক অভিযান চলায় । অভিযান কালত যাত্ৰীৰ পৰা বৰ্দ্ধিত ভাড়া আদায় লোৱা কেবাখনো চিটিবাছ আৰু মেজিক ধৰা পেলোৱা হয় ।তেনেদৰে দুচকীয়া বাহনৰ চালকে হেলমেট পৰিধান নকৰা আৰু চাৰিচকীয়া বাহনৰ চালক আৰু সন্মুখত বহি যোৱা আৰোহীয়ে ছিটবেল্ট ব্যৱহাৰ নকৰা বহু কেইটা ঘটনা ধৰা পেলোৱা হয় । এই সন্দৰ্ভত ৰৰচ টা গোচৰ ৰজু কৰা হয় । জিলা পৰিবহণ বিষয়া হিমাংশু কুমাৰ দাসে জানিবলৈ দিয়া মতে মটৰ পৰিবহণ আইন ভংগ কৰি যাত্ৰীৰ পৰা নিৰ্ধাৰিত ভাড়াতকৈ অধিক বা বৰ্দ্ধিত ভাড়া আদায় কৰা যাত্ৰীবাহী বাহনৰ দুচকীয়া বাহনৰ চালকে হেলমেট পৰিধান নকৰা, চাৰিচকীয়া বাহনৰ চালক - আৰোহীয়ে ছিটবেল্ট ব্যৱহাৰ নকৰা সকলৰ বিৰুদ্ধে এই অভিযান চলি থাকিব ।

# ২৪জন সমাজকৰ্মীৰ কংগ্ৰেছত যোগদান

ৰঙিলী বাৰ্তাসেৱা- প্ৰদেশ কংগ্ৰেছ কমিটীৰ মুখ্য কাৰ্যালয়ে গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এখন সভাত প্ৰায় ২৪ জন সমাজকৰ্মীয়ে কংগ্ৰেছ দলত যোগদান কৰে। প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই সভাপতিত্ব কৰা সভাত জ্যেষ্ঠ নেতা শৰৎ বৰকটকী, বলিন কুলি আদি কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে। কংগ্ৰেছ দলত যোগদান কৰা ব্যক্তিসকল হ'ল- অধিবক্তা নিৰ্বাণ কান্তি দত্ত, ঋতুৰাজ পাটৰ, মহাপ্ৰবন্ধক সৰ্বানন্দ বৰা, আপৰ প্ৰাক্তন আহ্বায়ক দেৱৰাজ কাকতি, সাংবাদিক জয়দ্বীপ বিশ্বাস, পিয়লী ঘোষ, চিএ অংকিত আগৰৱাল, অশোক কুমাৰ আগৰৱাল, শিৱ কুমাৰ শন্যাল, বিজেপি সদস্য পাৰ্থ প্ৰতীম বৰা, ৰীমা দাস, বেংগলী সুৰক্ষা সমিতিৰ সভাপতি সুজয় বিশ্বাস, সমাজসেৱক গোপাল দাস, ব্যৱসায়ী উত্তম দাস, তৰংগ জ্যোতি বৰুৱা কাকতি, টিংকু ৰয়, ৰুমী দেউৰী, এজেপিৰ সদস্য অমিত দাস, সমাজসেৱক অত্ৰায়ী নন্দী, ঋষিৰাজ দাস, সদৌ অসম বেংগলী সুৰক্ষা সমিতিৰ কাৰ্যকৰী সভাপতি বাপন দাস, সাধাৰণ সম্পাদক নবীন ৰয়, দ্বীপজ্যোতি চক্ৰৱৰ্তী, সুবল দাস।

# কলাক্ষেত্ৰত উত্তৰ পূব যুৱ সমাৰোহ


ৰঙিলী বাৰ্তাসেৱা- যুৱ সংসদ, ভাৰতীয় শিক্ষণ মণ্ডল, উত্তৰ অসম প্ৰান্তৰ উদ্যোগত শুকুৰবাৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত উত্তৰ পূব যুৱ সমাৰোহ অনুষ্ঠিত হয়। ড° অদিতি দাসে আঁতধৰা উদ্বোধনী অনুষ্ঠানৰ প্ৰাৰম্ভণিতে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। উত্তৰ পূব যুৱ সমাৰোহৰ মুখ্য উদ্দেশ্য হৈছে বৌদ্ধিক যোদ্ধা সৃষ্টিৰ লগতে শৈক্ষিক আৰু সাংস্কৃতিক দিশত আগবঢ়ুৱা কৰোৱা । আগন্তুক তিনি দিনত মুঠ আঠটা আলোচনা সত্ৰ লগতে বিভিন্ন ধৰণৰ আলোচনা চক্ৰ, কুইজ, মডেল সংসদীয় তৰ্কৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়।উত্তৰ পূব যুৱ সমাৰোহৰ সভাপতি ড° নৱজ্যোতি বৰাই আদৰণি ভাষণ দিয়া অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা° ৰণোজ পেগুৱে এটি শুভেচ্ছা বাৰ্তা আগবঢ়ায়। তেওঁ সংবিধানৰ বুৰঞ্জীৰ বিষয়ে অৱগত কৰায়। প্ৰত্যেক গৰাকী ছাত্ৰ-ছাত্ৰীক সংবিধানখন পঢ়িবলৈ আহ্বান জনায়। উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ বিষয়ে জানিবলৈ তেওঁ আহ্বান জনায়।শিশুসকলক তেওঁলোকৰ নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ উৎসাহিত কৰিব লাগে আৰু নতুন শিক্ষা নীতিৰ জৰিয়তে এটা বিপ্লৱ আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে । শুভেচ্ছা বাৰ্তা আগবঢ়াই প্ৰতাপ জ্যোতি সন্দিকৈ, ক্ষেত্ৰ সংঘ চালক, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ড° উমেশ চক্ৰৱৰ্তীয়ে ।অনুষ্ঠানত উপস্থিত থাকে মুকুল কানিটকাৰ আৰু ড° নীলমোহন ৰয়।

# অখিল ভাৰতীয় মাৰোৱাৰী যুৱ মঞ্চৰ নগাঁৱৰ বড়মপুৰস্থিত শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মিঠাই পেকেট বিতৰণ



দেৱাশীষ গোস্বামী, নগাওঁ, ৰঙিলী বাৰ্তাসেৱা- ভাৰতবৰ্ষৰ এটা অগ্ৰণি সামাজিক অনুষ্ঠান অখিল ভাৰতীয় মাৰোৱাৰী যুৱ মঞ্চৰ নগাঁৱৰ সমৃদ্ধি গোটৰ সদস্যা সকলে দেৱালী উপলক্ষে ৰূপায়ন কৰিব লগীয়া কিছু অনুষ্ঠান বিশেষ কাৰণবশতঃ পিছুৱাই দিবলগীয়া হৈছিলে। উক্ত অনুষ্ঠানৰে অংশ হিচাবে আজি তেওঁলোকে নগাঁৱৰ বড়মপুৰস্থিত শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মিঠাই পেকেট বিতৰণ কৰে। উক্ত কাৰ্য্যসূচীত সমৃদ্ধি গোটৰ স্থায়ী সভানেত্ৰী শ্ৰীমতি ৰিংকু গিডৱাৰ অনুপস্থিতিত কাৰ্য্যসূচীত ভাৰপ্ৰাপ্ত সভানেত্ৰী শ্ৰীমতি হিৰা গাৰোডিয়া আৰু সম্পাদিকা মিছ গুঞ্জন আগৰৱালাৰ নেতৃত্বত সফল ভাৱে ৰূপায়িত হয়। ভাৰপ্ৰাপ্ত সভানেত্ৰী হিৰা গাৰোডিয়াই শ্ৰী মন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ৰ প্ৰধান শিক্ষয়েত্ৰী শ্ৰীযুতা গুণ বৰাক এখনি ফুলাম গামোছাৰে সম্বৰ্ধনা জনায়। ইয়াৰ পাছতে সমৃদ্ধি গোটৰ সদস্যা সকল উপস্থিত হয় মহামৃত্যুঞ্জয় মন্দিৰৰ অন্তৰ্গত মৃত্যুঞ্জয় বেদবিদ্যাপীঠ (গুৰুকূল)প্ৰাঙ্গনত। বিদ্যাপীঠৰ ছাত্ৰসকলৰ মাজত মিঠাই পেকেট বিতৰণ কৰাৰ লগতে গোটৰ সম্পাদিকা গুঞ্জন আগৰৱালাই বেদবিদ্যাপীঠৰ আৰ্চায্য দিলীপ খানালক এখন ফুলাম গামোছাৰে সম্বৰ্ধনা জনায়। নগাঁৱৰ সমৃদ্ধি গোটৰ সদস্যা সকলে তেওঁলোকে ৰূপায়ন কৰা কাৰ্য্যসূচী সমূহৰ জড়িয়তে ভ্ৰাতৃত্ববোধ আৰু একতাৰ এনাজৰী ডাল কটকটীয়া কৰাৰ যি প্ৰচেষ্টা, তাক সকলোৱে আদৰণি জনাইছে।

# ভাৰতত নতুনকৈ ৮, ৩১৮ জন লোক কৰ'নাত আক্ৰান্ত



ৰঙিলী বাৰ্তাসেৱা- স্বাস্থ্য মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত নতুনকৈ ৮,৩১৮ জন লোক কৰ'না ভাইৰাছত সংক্ৰমিত হৈছে। ভাৰতত নতুনকৈ ৪৬৫ জন লোকৰ কৰ'না সংক্ৰমণৰ ফলত মৃত্যু হৈছে। ভাৰতত মুঠ মৃত্যুৰ সংখ্যা ৪, ৬৭, ৯৩৩লৈ বৃদ্ধি হৈছে। ভাৰতত এতিয়ালৈ মুঠ ৩,৪৫,৬৩,৭৪৯ জন লোক কৰ'না ভাইৰাছত সংক্ৰমিত হৈছে।আনহাতে ভাৰতত বৰ্তমান ১, ০৭, ০১৯ টা সক্ৰিয় ঘটনা আছে।

# অসমৰ ৰাজনৈতিক বিন্যাস আৰু নতুন চিন্তা

দিগন্ত কলিতা,
কমলপুৰ সমষ্টিৰ বিধায়ক



যোৱা ছমাহত ৰাজ্যৰ ৰাজনৈতিক দৃশ্যপটত অভাবনীয় পৰিবৰ্তন সম্ভৱ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পিছতে যি ৰাজনৈতিক পট পৰিৱৰ্তন আহিছে, তাৰ তত্ত্বগত দিশসমূহ বিশ্লেষণ কৰিলে আন কেতবোৰ দিশ সহজে প্ৰত্যক্ষ কৰিব পাৰি। ৰাজ্যৰ উন্নয়নে যাৰ স্বপ্ন, জনমুখী সেৱাই যাৰ লক্ষ্য, দেশৰ অন্যতম পাঁচখন ৰাজ্যৰ ভিতৰত অসমৰ স্থান সুনিশ্চিত কৰাৰ বাবে যাৰ কঠোৰ সংকল্প, সেইগৰাকী ব্যক্তিৰ ৰাজনৈতিক স্বৰূপ সহজে অনুমান কৰিব পাৰি। ৰাজ্যৰ আৰ্থ সামাজিক জীৱনধাৰাক ত্বৰান্বিত কৰাৰ বাবে চৰকাৰখনে গ্ৰহণ কৰা আঁচনি আৰু কাৰ্যসূচীয়ে আজি অকল জনসাধাৰণকে নহয়, বিৰোধী পক্ষত থকা ৰাজনীতিকসকলৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সকলো আঁচনিকে জনগণৰ মাজলৈ লৈ যোৱাৰ বাবে চৰকাৰখনে গ্ৰহণ কৰা পদক্ষেপবোৰে জনসাধাৰণৰ মানসিকতাৰ দ্ৰুত পৰিৱৰ্তন সাধন কৰিছে। প্ৰশাসন আৰু জনসাধাৰণৰ মাজত ব্যৱধান নোহোৱা হৈ পৰিছে। ইয়াৰ ফলস্বৰূপে মধ্যভোগী ব্যৱস্থাটোৰ বিলোপ সাধন হৈ প্ৰতিখন আঁচনিৰে প্ৰত্যক্ষ সুফল সাধাৰণ ৰাইজে পাবলৈ সক্ষম হৈছে। প্ৰতিখন আঁচনি প্ৰতিটো সমষ্টিতে সমভাৱে ৰূপায়িত হোৱাটো চৰকাৰখনৰ সাফল্যৰ অন্যতম দিশ। জনসেৱাই মুখ্যমন্ত্ৰীৰ উদ্দেশ্য। ৰাজ্যখনৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সম-বিকাশ আৰু সম-উন্নয়নৰ বাবে যোৱা ছমাহত গ্ৰহণ কৰা ব্যৱস্থাবোৰৰ বাবে আজি বিৰোধী জনপ্ৰতিনিধি আৰু ৰাজনীতিকে বিজেপি সম্পৰ্কত থকা পূৰ্বৰ ধাৰণা সলনি কৰিবলৈ বাধ্য হৈ পৰিছে। উন্নয়নৰ ৰাজনীতিয়ে আজি অসমৰ সামগ্ৰিক উন্নয়নত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱা বাবেই বিৰোধী জনপ্ৰতিনিধি বিজেপিমুখী হৈ পৰিছে।

শেহতীয়াভাৱে অসমত অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে পাঁচখন আসনেই লাভ কৰিছে। বিৰোধী পক্ষৰ দুগৰাকী বিধায়কে পদত্যাগ কৰি বিজেপিত যোগদান কৰাৰ পিছত পুনৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈ আহিছে। এই উপ-নিৰ্বাচনে কেতবোৰ অন্য দিশহে প্ৰকট কৰিছে। প্ৰতিগৰাকী বিধায়কে ৰাইজৰ আশা আকাংক্ষা ৰূপায়ণৰ বাবে প্ৰয়াস কৰে। তাৰ বাবে এক সুনিৰ্দিষ্ট ৰাজনৈতিক প্লেটফৰ্মৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। সমষ্টিৰ উন্নয়ন অবিহনে ভৱিষ্যৎ ৰাজনৈতিক সুৰক্ষা সম্ভৱ নহয়। এই কথা আজিৰ ৰাজনীতিকসকলে মৰ্মে মৰ্মে উপলব্ধি কৰে। অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাজনীতিৰ ঊৰ্দ্ধত বিকাশৰ যি নতুন মাত্ৰা সংযোজন কৰিছে, তাৰ ফলত আজি অসমে এক নতুন গতিৰে আগুৱাই যাবলৈ সক্ষম হৈছে। উন্নয়ন, তৃণমূল পৰ্যায়লৈ জনসাধাৰণৰ সমস্যা নিৰাময়ৰ সৰ্বাত্মক প্ৰয়াসে ৰাজনৈতিক পৰিমণ্ডলক নতুন চেতনা প্ৰদান কৰাটো এগৰাকী দূৰদৰ্শী মুখ্যমন্ত্ৰীৰ বাবেহে সম্ভৱ হৈ পৰিছে। প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে এক বাতাৱৰণ লাভ কৰাই নহয়, এইক্ষেত্ৰত প্ৰত্যক্ষ অংশগ্ৰহণৰ সুযোগ লাভ কৰিছে। ইয়ে তেওঁলোকৰ মনত আত্মবিশ্বাসৰ ভাব প্ৰগাঢ় কৰি তুলিছে। ভাষা, সাহিত্য, সংস্কৃতি, ঐতিহ্য সুৰক্ষিতকৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহে অসমীয়া জাতিসত্তাৰ চেতনাক নৱৰূপ প্ৰদান কৰিছে।

কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰে মুখ্যমন্ত্ৰীয়ে দেখুওৱা আদৰ্শই আজি ৰাজনৈতিক সংজ্ঞাৰো পৰিৱৰ্তন সম্ভৱ কৰি তুলিছে। ৰাজনীতি সম্পৰ্কত পূৰ্বতে থকা ধাৰণাও আজি সলনি হৈছে। ৰাজনীতি মানেই মিথ্যাচাৰ, স্বাৰ্থান্বেষিকতাৰ স্বৰূপ বুলি পূৰ্বতে থকা ধাৰণা আজি নাইকিয়া হৈছে। নিৰ্বাচনৰ সময়ত বিজেপিয়ে দিয়া প্ৰতিটো আশ্বাস আজি বাস্তৱমুখী ৰূপ লৈছে। ইয়ে জনসাধাৰণৰ মাজত বিশ্বাসযোগ্যতা অধিক বৃদ্ধি কৰিছে। আনকি বিৰোধী পক্ষৰ ৰাজনীতিকসকল মুখ্যমন্ত্ৰীগৰাকীৰ ৰাজনৈতিক দৃষ্টিভংগীৰ সৈতে একমত হ'বলৈ বাধ্য হৈ পৰিছে। পূৰ্বতে ৰাজনৈতিক ক্ষেত্ৰখনত এনে দৃষ্টান্ত দেখিবলৈ পোৱা নগৈছিল। বিৰোধীয়ে শাসক পক্ষক সমালোচনা কৰাটো গণতন্ত্ৰৰে এক পন্থা। আজি বিৰোধীয়ে উন্নয়নৰ স্বৰূপ দেখি সমালোচনাৰ চৰিত্ৰ সলনি কৰিবলৈ বাধ্য হৈছে। ৰাজনীতিৰ সৈতে আবেগ নহয়, বিবেকৰ আহ্বানৰ প্ৰয়োজন, সেই কথা মুখ্যমন্ত্ৰীগৰাকীয়ে দেখুৱাবলৈ

(আঠপৃষ্ঠাত চাওক)

# প্ৰহেলিকা

কুমুদ চন্দ্ৰ মেধি

অফিচৰ বন্ধুকেইজনৰ লগত কথা পাতি হৰেন দাস গৈ অফিচাৰৰ ৰুম পালে। বাহিৰৰ চকিখনত বহি থকা পিয়নজনক সি অহা খবৰটো দিবলৈ ক'লে। ক্ষন্তেক পিচতে অফিচাৰৰ ওচৰত ছুটিৰ দৰ্খাস্তখন জমা দিলে। প্ৰথমতে অফিচাৰে ছুটি দিবলৈ অস্বীকাৰ কৰিছিল যদিও হৰেণে দেউতাকৰ অসুখৰ বাবে যাবলগীয়া হোৱা বুলি জনালত ছুটি মঞ্জুৰ কৰি দেউতাকলৈ শুভ ইচ্ছা প্ৰকাশ কৰিলে। ইতিমধ্যে কৰ'না মহামাৰী আমেৰিকাৰ ঠায়ে ঠায়ে সংক্ৰমণ হ'ব ধৰিছে। বিশ্বৰ অনেক দেশত এই মহামাৰীয়ে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে। সকলো ব্যৱস্থা কৰি হৰেন আহি গুৱাহাটী পালে।

হৰেন দাসৰ এখন সৰু ঘৰ। দেউতাকৰ একমাত্ৰ ল'ৰা। মাক এখন চৰকাৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক আৰু দেউতাক জিলাৰ উপায়ুক্তৰ দৰে উচ্চপদবীত অধিষ্ঠিত হ'ব পাৰিছিল। বিয়াৰ পিচতে গুৱাহাটীত মাটি কিনি ঘৰ সজালে। চাকৰিৰ নামত অসমৰ বিভিন্ন ঠাইত বদলি হৈ দেবেন দাসে চাকৰি কৰিবলগীয়া হ'ল। পুত্ৰ হৰেন দাস আৰু একমাত্ৰ কন্যা জুনুক লগত লৈ মাক গুৱাহাটীত থাকিবলগীয়া হ'ল আৰু পঢ়া শুনাৰ বাবে গুৱাহাটী উপযুক্ত ঠাই বুলি শিক্ষাৰ দায়িত্ব মাকে ল'লে। হায়াৰ চেকেণ্ডাৰীত ভবাতকৈও বহুত বেছি ভালদৰে পাচ কৰাৰ পিচত দেউতাকে মাকৰ লগত আলোচনা কৰি অসমৰ বাহিৰত পঢ়ুওৱাৰ চিন্তা কৰিলে। একমাত্ৰ ল'ৰা হোৱাৰ বাবে প্ৰথমতে মাকে আপত্তি কৰি কটন কলেজত পঢ়ুৱাৰ বিচাৰিছিল যদিও দেউতাকে সেয়া নমনাত বাঙ্গালোৰত ইঞ্জিনিয়াৰিং কলেজত পঢ়াৰ বাবে সন্মতি দিবলৈ বাধ্য হ'ল। চাওঁতে চাওঁতে দিনবোৰ বাগৰিব ধৰিলে। হৰেনৰ দেউতাক গুৱাহাটীলৈ বদলি হৈ আহিল। অকলশৰীয়া মাক জীয়েকে বৰ আনন্দ পালে।

তেনেকৈয়ে এদিন হৰেনে সুখ্যাতিৰে পাছ কৰিলে আৰু আমেৰিকাৰ এটি নামী চফ্টৱেৰ কোম্পানীৰ চাকৰিত যোগদান কৰিলে। ঘৰৰ বাহিৰত তথা দেশৰ বাহিৰত চাকৰি কৰিব যোৱাত মাক দেউতাকে ভিতৰি মনত কষ্ট পাইছিল যদিও আমেৰিকাৰ দৰে উন্নত দেশত চাকৰি পোৱা বাবে সন্তুষ্টি লাভ কৰিছিল আৰু আনৰ আগত প্ৰকাশ কৰি গৌৰৱবোধ কৰিছিল।

ভনীয়েক জুনুৰ বিয়াৰ সময়ত হৰেন ঘৰলৈ আহিছিল যদিও তাৰ পিচত ছয় বছৰ চাকৰি কালৰ মাজত দুবাৰহে ঘৰলৈ আহিব পাৰিছিল চাকৰিৰ ব্যস্ততাৰ বাবে।

ইতিমধ্যে দেউতাকে চাকৰিৰ পৰা অৱসৰ ল'লে। এবছৰ পিচত মাকেও অৱসৰ পালে। এখন প্ৰাইভেট কলেজত কাম কৰাৰ বাবে আমন্ত্ৰণ পাইছিল যদিও যোগদান কৰাৰ ইচ্ছা নকৰিলে। দেউতাক ঘৰত অকলে থাকি মনোকষ্ট পাব বুলি ভাবি আৰু ইটো সিটো অসুখে লগ নেৰা বাবে পুনৰ কামত যোগ দিয়াৰ পৰা বিৰত থাকিল।

ঘৰ আহি পাই হৰেন পোনচাটে ড্ৰয়িং ৰুমত হাতৰ বেগটো থৈ দেউতাক ক'ত আছে জানিব খুজিলে। মাকে হাত-ভৰি ধুই দেউতাক থকা ৰুমলৈ আহিব ক'লে।

— তই আহি পাইছ মাত্ৰ। চাহ একাপ খাই ল।

দেউতাৰা কাইলৈৰ পৰা অলপ সুস্থ হৈছে।

— হ'ব দিয়া মা। মই একেলগে গাটোকে ধুই লওঁ।

মাকে চাহৰ যোগাৰ কৰিলে। তিনিওজনে বহি একেলগে চাহ খালে। দেউতাকৰ লগত কথা বতৰা পাতি হৰেন আস্বস্ত হ'ল যে দেউতাক এতিয়া সুস্থ হৈ আছে। ঔষধ পাতি ডাক্টৰে কোৱা ধৰণে খাই আছে। কথা বতৰাৰ মাজতে দেউতাকে হৰেনৰ বিয়াৰ কথা উলিয়ালে। হৰেনে অসন্মতি নকৰিলেও সন্মতি প্ৰকাশ কৰা যেন দেউতাকে অনুভৱ নকৰিলে। সেয়ে মনত উদ্ভৱ হোৱা সন্দেহ ব্যক্ত কৰিলে।

— তই কিবে বেলেগ চিন্তা কৰিছ নেকি অ' হৰেন? মই কথাবোৰ বুজি পোৱা নাই। দুবছৰ পিচত ঘৰলৈ আহিছ। সময়বোৰ বৈ নাথাকে বুজিছ। মোৰো দেহা ভালে নোযোৱা হৈছে। হঠাৎ কিবা এটা হ'লে ইমান আশাৰে বৈ থকা তোৰ বিয়াখন দেখাই নাপাম। নে কোনোবা আমেৰিকাৰ ছোৱালী চাই থৈছ ?

দেউতাকৰ কথাখিনি মাকৰ মনটো খেলি আছিল। গতিকে লগে লগে সমৰ্থন কৰি মাত লগালে।

— অ' হৰেন কিবা চিন্তা কৰিছনে? যদি কোনো অইন কাৰোবাক পচন্দ কৰা নাই আমি ইয়াতে ছোৱালী চাওঁ। হৰেনে দেউতাক আৰু মাকক সন্তুষ্ট কৰাৰ মানসেৰে উত্তৰ দিলে।

— হ'ব দিয়া। তোমালোকৰ মতে সকলো হ'ব। কিন্তু দেউতা আগতে সম্পূৰ্ণ সুস্থ হৈ উঠক। এতিয়া আৰু দেশৰ পৰিস্থিতি দেখোন কেনেকুৱা। কৰ'না মহামাৰীৰ নামত সকলো সন্তুষ্ট। সুস্থিৰ পৰিবেশ এটা হওঁক দিয়া। মাকৰ ফালে চাই দেউতাকে ক'লে - মই অলপ শুওঁ দিয়া। গাটো ভাল লগা নাই। তুমিতো জানাই হৰেনে কি খায় ভাল পায়। গতিকে ব্যৱস্থা কৰা। দেউতাকে হঠাতে বিচনাত শুব বিচৰা দেখি হৰেনৰ চিন্তা লাগিল। দেউতাকক কোঠাত এৰি আহি পাকঘৰ পালে।

— মা, দেউতাই যে গা ভাল নলগা বুলি ক'লে। কথাটো কি? মোৰ চিন্তা লাগিছে।

— হঠাতে তেনেকুৱাকৈ কৈ বিচনাত শুই পৰে। দৰৱ খুৱাই আছো। ডাক্তৰে ভালদৰে আলপৈচন ধৰিব কৈছে। মই সকলো কৰি আছো। অকলে এৰি থৈ ক'লৈকো নাযাওঁ। সেইবাবে তোক খবৰ দি আহিব ক'লো। মাকৰ কথাখিনি শুনি হৰেনৰ চিন্তা দুগুনে বাঢ়িল। কৰ'না মহামাৰীৰ বাবে দেশত আৰম্ভ হোৱা চৰকাৰৰ নিয়মৰ কথাবোৰ সি ম'বাইলত চাইছে। দেশৰ জনসাধাৰণক গৃহবন্দী হৈ থকাৰ পৰামৰ্শ দিছে। মন্দিৰ, মছজিদ আদি উপাসনাস্থলীত ভক্তৰ প্ৰবেশ সিমিত কৰিছে। বিয়াত মানুহৰ উপস্থিতিৰ সংখ্যাও নিৰ্দ্ধাৰণ কৰিছে। মানুহে নভবা নিচিন্তা এটি পৰিৱেশ। আনকি মানুহৰ অসুখ বিসুখৰ খবৰ ল'বলৈও আপোন মানুহ আহিব নোৱাৰা পৰিস্থিতি। হৰেনৰ মূৰটো আচন্দ্ৰাই কৰা যেন লাগিল। নীৰৱ হৈ কিছুসময় মনে মনে বহি থাকিল। কথাবোৰ নাভাবো বুলি ভাবিলেও অজানিতে মনৰ মাজত ডোলা দিবলৈ ধৰিলে। টিভিটো অন্ কৰি দিলে। একেই বাতৰি। চাৰিওফালে কেৱল সেই একেই বাতৰি। কৰ'নাৰ ভয়াবহতা। লকডাউনৰ নিয়মৰ বৰ্ণনা। টিভিটো অফ্ কৰি দি পুনৰ চিন্তাৰ সাগৰত ডুব গ'ল। দেউতাৰ

(আঠপৃষ্ঠাত চাওক)

# চৰকাৰে সদায় উচিত পাত্ৰতহে দান কৰিব লাগে

**পিংকু ডেকা,**
**ওদালগুৰি, ভেৰগাঁও**

আমি সকলোৱে জানো যে ১৯৫৪ চনৰ পৰাই ভাৰত চৰকাৰে ভিন্ন দিশত নিজ কৰ্মৰাজিৰ জৰিয়তে উদ্ভাষিত সমাজলৈ অৰিহণা যোগোৱা প্ৰায় খিনি ব্যক্তিক পদ্ম সন্মান প্ৰদান কৰি আহিছে। বিভিন্ন দেশ বিদেশৰ ব্যক্তিকো এই বঁটা প্ৰদান কৰা হয়। আকৌ ভাৰতৰ সৰ্বোচ্চ অসামৰিক পদক ভাৰত ৰত্নৰ পিছতেই এই পদ্ম বঁটাক স্থান দিয়া হয়। ইতিমধ্যে শেহতীয়াকৈ এইবাৰো দেশৰ ২০২১ বৰ্ষৰ পদ্ম বঁটা সমূহ প্ৰদান কৰা হল। এই বঁটা দেশৰ বিভিন্ন জনে পাবলৈ সক্ষম হল। এইখিনিতেই ২০২১ বৰ্ষত পদ্ম সন্মান লাভ কৰিবলৈ সক্ষম হোৱা প্ৰত্যেক জন ব্যক্তিলৈ আমাৰ আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কিন্তু কথা হল এতিয়া ২০২১ বৰ্ষত এই বঁটা লাভ কৰা ব্যক্তি সকলৰ মাজত দুই এজন এনেকুৱা ব্যক্তিয়ে লাভ কৰিলে নেকি যি প্ৰকৃততে সেই বঁটাৰ বাবে হয়তো এতিয়াও যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হোৱা হোৱা নাছিল বা এনেকুৱা দুই এজন ব্যক্তিও বৈ গল নেকি যি প্ৰকৃততে এই বঁটাৰ বাবে সৰ্বতোপ্ৰকাৰে যোগ্য আছিল। কিয়নো যিটো সময়ত ইংৰাজৰ হাতৰ পৰা দেশৰ পিতা মহাত্মা গান্ধীয়ে দেশ স্বাধীন কৰি পয়্যায় ক্ৰমে আজিৰ এটা অৱস্থালৈ আগুৱাই যাবলৈ বাট ধৰি দিলে তেনেকুৱা এটা সময়ত অলপ মান হিন্দী বোলছবিত অলপ মান নাচ গান কৰি পদ্মশ্ৰী বঁটাটো পোৱা মাত্ৰ কেইজ্ঞানৰ পৰিসৰৰে ভৰি পৰি পাব ভাঙি বৰ্তমান সময়তহে দেশ খনে প্ৰকৃত স্বাধীনতা পোৱাৰ কথা সংবাদ মাধ্যমৰ আগত দাঙি ধৰিলে। গতিকে প্ৰশ্ন হয় এতিয়া তেনেকুৱা এজন নিম্ন খাপৰ ঠেক মনোবৃত্তিৰ ব্যক্তিক এই পদ্ম সন্মান প্ৰদান কৰি বাকী পদ্ম সন্মান পাবলৈ সক্ষম হোৱা গণ্য মান্য ব্যক্তি সকলৰ মনত আঘাত হানিলে নেকি? আকৌ ৰাজ্যৰ খনৰেই অন্য এটা কথা টানি আনিব বিচাৰিছো। যে যিজন ব্যক্তিয়ে নিজস্ৰ ইচ্ছামতে অসমীয়া চিনেমা চোৱা নাই বা নাচাই অন্যথা অসমীয়া চিনেমা চাই ভাল নাপায় বুলি সংবাদ মাধ্যমৰ আগত দম্ভালি মাৰিছিল তেনেকুৱা এজন ব্যক্তিকেই আকৌ Assam state film finance & development corporation ৰ চেয়াৰমেন হিচাপে ৰাজ্য চৰকাৰে নিযুক্তি প্ৰদান কৰিছে। অসমীয়া চিনেমা জগতত কাম কৰি অসমীয়া চিনেমা জগত খন বহল পৰিধিলৈ লৈ যোৱা গুণীজ্ঞানী অভিজ্ঞতা পুষ্ট লোকে পাব লগীয়া এই পদবী এনেধৰনৰ ব্যক্তিলৈ কিয়? নে দুটা এটা নিৰ্বাচনী প্ৰচাৰৰ চৰকাৰী গান গাই ৰাজ্য চৰকাৰৰ অতিকৈ আপোন আপোন হৈ পৰাৰ কাৰণেই এনেধৰনৰ ব্যক্তিলৈ এই পদবী। অসমীয়া চিনেমাৰ প্ৰতি এনেধৰনৰ ঠেক মানসিকতাৰে ভৰি পৰা ব্যক্তিয়ে ভৱিষ্যতে অসমীয়া চিনেমা জগতত কি অৰিহণা যোগাব পাৰিব সেয়া হয়তো সকলোৱে ইতিমধ্যে অনুমান কৰিব পাৰিছে। ৰাজ্য চৰকাৰে কিন্তু এই ক্ষেত্ৰত বিবেচনা কৰি চোৱাৰ প্ৰয়োজনীয়তা আছিল। গতিকে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰলৈ কাতৰ আহ্বান আপোনালোকে ঘৰৰ গাজি কল ঘৰৰ মানুহৰ মাজত ভগাই খোৱাৰ বিপৰীতে সমাজৰ ভাল অন্য মানুহকো সেই গাজি কলৰ অংশীদাৰ কৰি উচিত পাত্ৰহে দান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক। তেতিয়াহে চৰকাৰ তথা ৰাইজৰ মঙ্গল হব।

# অবিৰত সংগ্ৰামৰ অন্য এটি নাম ডক্টৰ বিৰুবালা ৰাভা

**স্বাগতা বৰুৱা গোস্বামী**

কৰ্ম ই ধৰ্ম আমি সদায় কৰ্ম কৰি যাব লাগে, কিন্তু ফললৈ আশা কৰিব নালাগে। কাৰণ ভাল কামৰ স্বীকৃতি মানুহে এদিন নহয় এদিন হ'লেও পায়েই। সেইবাবে সদায় নিঃস্বাৰ্থ ভাবে আমি আমাৰ কামবোৰ কৰি যাব লাগে।অসমীয়াত এযাৰ কথা আছে "যত্ন কৰিলে ৰত্ন পায়"। অৰ্থাৎ ৰত্ন অতি মূল্যবান সম্পদ।এই মূল্যৱান ৰত্নবিধ পাবলৈ হ'লে আমি কঠোৰ পৰিশ্ৰম কৰিব লাগিব। আমাৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি এ.পি.জে আব্দুল কালামৰ মতে আমাৰ এটা লক্ষ্য থাকিব লাগিব আৰু সেই লক্ষ্য পূৰণৰ বাবে আমি সপোন দেখিব লাগিব। তেওঁৰ মতে "সপোন সেইটো নহয় যিটো ৰাতি টোপনিত দেখে। সপোন সেইটোহে যি সপোন পূৰণৰ বাবে টোপনি নাহে।" আমি যদি আমাৰ মহান ব্যক্তি সকললৈ চাওঁ। সকলোৱে কিন্তু বিভিন্ন ঘাত-প্ৰতিঘাত নেওঁচিও নিজ লক্ষ্যত উপনীত হ'বলৈ সক্ষম হৈছিল। কাৰণ তেওঁলোকৰ লক্ষ্য স্থিৰ আছিল আৰু ইয়াৰ জড়িয়তে তেওঁলোকে ৰত্ন বুটলিবলৈ সক্ষম হৈছিল। তেনে এগৰাকী অন্যতম নাৰী হৈছে ডক্টৰ বিৰুবালা ৰাভা। নিজ গুণেৰে উদ্ভাসিত হোৱা এগৰাকী সাহসী মহিলা, ২০১১ চনত "মিছন বিৰুবালা"ৰ জন্মদাতা যি ২০২১ চনত ৰত্ন অৰ্থাৎ "পদ্মশ্ৰী"বটা পাবলৈ সক্ষম হৈছে। তেখেতে আজিৰ অৱস্থা পাবলৈ বহুতো সংগ্ৰাম কৰিব লগীয়া হৈছিল। অসম-মেঘালয় সীমান্তৰ ঠাকুৰবিলা গাঁৱত জন্ম হোৱা বীৰুবালা ৰাভাৰ পুত্ৰ দুৰ্ভাগ্যজনক বাবে মানসিক ৰোগত আক্ৰান্ত হৈছিল।মানুহ সামাজিক প্ৰাণী।সমাজে কিবা এটা বস্তু বিশ্বাস কৰাৰ দৰে বিৰুবালাইও আন দহজনৰ দৰে ৰোগীয়া পুত্ৰক লৈ সাধকৰ ওচৰত উপস্থিত হ'ল। সাধকে ক'লে তেওঁৰ পুত্ৰৰ তিনিদিন ৰ পিছত মৃত্যু হ'ব। দুখত ম্ৰিয়মান হৈ বিৰুবালা ঘৰমুৱা হ'ল। কিন্তু সৌভাগ্যৰ কথা যে তেওঁৰ পুত্ৰৰ মৃত্যু নহ'ল। তেতিয়াই বিৰুবালাৰ মনৰ পৰা অন্ধবিশ্বাস বোলা বস্তুটো উঠি গ'ল আৰু অন্ধবিশ্বাসৰ বিপৰীতে থিয় দিবলৈ ল'লে। এইবোৰ কামৰ বাবে তেওঁক সমাজৰ পৰা এঘৰীয়া কৰিলে। কিন্তু বিৰুবালাই সেইবোৰ কথালৈ তিলমানো ভ্ৰুক্ষেপ নকৰি নিজৰ লক্ষ্য স্থিৰ কৰি আগবাঢ়ি গ'ল। ২০০১ চনত তেওঁ অসম মহিলা সমতা ছ'চাইটীৰ লগত লগ হৈ আগবাঢ়ি যাবলৈ বহুত খিনি সাহস পায়। তাৰপিছত ২০০৫ চনত তেওঁৰ এই সাহসী পদক্ষেপৰ বাবে শান্তিৰ নোবেল বঁটাৰ বাবে মনোনীত হয়। ২০১৫ চনৰ ৩০ মাৰ্চত গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁলৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী আগবঢ়ায়। শেহতীয়াকৈ লাভ কৰিলে সন্মানীয় পদ্মশ্ৰী বঁটা। আজি এইখিনি অৱস্থা পাবলৈ তেওঁ বহুতো কটুক্তি, সমালোচনা, বাধা-বিঘিনি, ৰোগ-ব্যাধি আদিৰ দৰে বহুতো সমস্যাৰ সন্মুখীন হৈছিল তথাপিও মনৰ সাহসেৰে লক্ষ্যস্থিৰ কৰি গোটেই বিশ্বতে তেখেতৰ নাম সোণালী আখৰেৰে জিলিকাবলৈ সক্ষম হ'ল।

# যশয়ন্তীবেন পপাত আৰু লিজ্জত পাপৰ

**দেৱীকা বৰপজাৰী**



এয়া আমাৰ দেশৰেই ৯৪ বছৰীয়া মৰম লগা মহিলা- যশবন্তিবেন পপাটৰ জীৱন যাত্ৰাৰ দীঘলীয়া কাহিনী। পপাট ভাৰতৰ অধিক বৰ্ষিয় ব্যৱসায়ী মহিলা ; যি আঠ গৰাকী সমান উদ্যমী মহিলাৰ এগৰাকী ।কিন্তু 'মহিলা গৃহ উদ্যোগ লিজ্জত পাপৰৰ স্ৰষ্টা এই উদ্যমী মহিলা গৰাকী। ১৯৫৯ চনত পপাতে মাত্ৰ ৮০ টকা, তাকো সমাজকৰ্মী এজনৰ পৰা ধাৰ লৈ! আমাৰ বহুতেই হয়তো এই নামটোৰ লগত পৰিচিত নহয় কিন্তু সৰহ ভাগ ভাৰতীয়ই তেওঁৰ এই উৎপাদন নিশ্চয় টেষ্ট কৰিছে। লিজ্জত পাপৰৰ জন্ম হয় দক্ষিণ মুম্বাইৰ ঘন বসতিপূৰ্ণ এলেকা- Girgaon ত। মহিলা সকলৰ স্বামী সকলে অৰ্জন কৰা ধনেৰে ঘৰ নচলে বাবেই পপাতে একেই বয়সৰ, একেই উৎসাহী আঠ গৰাকী মহিলা লৈ নিজে থকা বিল্ডিং ৰ টেৰেচত প্ৰথমে পাপৰ তৈয়াৰ কৰা কাম আৰম্ভ কৰিলে। আচলতে এই গুজৰাটী গৃহিনী সকল এটা কামতেই পাৰ্গত, সেয়া হৈছে ভাল ৰন্ধা বঢ়া কৰা। পপাত ৰ প্ৰকৃত উদ্দেশ্য হৈছে, আমাৰ দেশৰ মহিলা সকল সাহসী হৈ আৰ্থিকভাবে স্বাৱলম্বী হোৱাটো। এই কৃৎকাৰ্যতাৰ যাত্ৰাত পপাতে অসংখ্য মহিলাক প্ৰশিক্ষণ দি আৰ্থিক ভাৱে স্বাধীন হবলৈ উৎসাহ দিছিল। সেই ৮০ টকাৰে আৰম্ভ কৰা ব্যৱসায় আজি ৮০০ কোটি টকাৰ turn over ৰে মাল্টি মিলিয়ন ডলাৰ উদ্যোগ লৈ ৰূপান্তৰিত হৈ উঠিল। মহিলা গৃহ উদ্যোগত আজি প্ৰায় ৪৫০০০ মহিলা কৰ্মীয়ে কাম কৰি আছে। বৰ্তমান লিজ্জত পাপৰ সমগ্ৰ দেশতে বিক্ৰী হোৱাৰ ওপৰিও আন আন দেশলৈ, যেনে, ইংলেণ্ড, আমেৰিকা, চিংগাপুৰ, থাইলেণ্ড আৰু নেদাৰলেণ্ডলৈকো যায়। যশৱানতিবেন পপাতৰ নিজা কোনো শিক্ষা নাছিল, যেতিয়া এই ব্যৱসায় তেওঁ আৰম্ভ কৰিছিল। কিন্তু, তেওঁৰ আছিল অদম্য সাহস আৰু একাগ্ৰতা- ব্যৱসায়ৰ দ্বাৰা কিদৰে লাভবান হব পাৰি, তাৰ সপোন! ক্ৰমশঃ, এই লিজ্জত পাপৰ মহিলা উদ্যোগে খাকৰা (Khakra) মছলা বৰি, বেকাৰী উৎপাদন, ঘেঁহু পিছোৱা ফ্লুৰ মিল, জুইশলা, ধূপ, ছপাশাল- আদি অলেখ উদ্যোগৰ জন্ম দিছে। আজি সেই সাত গৰাকীয়েই নাই, কেৱল পপাত হে জীৱিত আছে। এটা অতি সুন্দৰ মানৱীয়তা গুণ পপাতৰ যে, তেওঁ কোনো এগৰাকী মহিলা কৰ্মীকেই 'কৰ্মচাৰী ' বুলি গণ্য নকৰে কিন্তু সকলোকে এই বৃহৎ উদ্যোগৰ ' মালিকণী ' বুলিহে গণ্য কৰে। ভাৰত চৰকাৰে এইবছৰ যশৱনতিবেনক পদ্মশ্ৰী উপাধিৰে বিভুষিত কৰিলে।

# সম্প্ৰতি অসমত সম্প্ৰীতিৰ সংগ্ৰাম

**ফখৰুদ্দিন আহমেদ**

অসমৰ এগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াই এনে ধৰনৰ গ্ৰেপ্তাৰ কাৰ্যকৰীকৰনৰ সময়ত সংবাদমেলত ঘোষনা কৰিছিল যে সাম্প্ৰদায়িক মন্তব্য কৰা লোকক খেদি খেদি অসম আৰক্ষীয়ে কৰায়ত্ব কৰিব। তাৰ মানে ইছলাম ধৰ্ম পৃথিবীৰ পৰা শেষ কৰাৰ সংকল্প গ্ৰহন কৰা, হজৰত মহম্মদ ছঃ ক চৰিত্ৰত কলংক সানি কোৱা কথা আৰু কোৰান খনত কেৱল যৌনতাহে আছে বুলি কৈ অসম, ভাৰত আৰু বিশ্বৰ মুছলমানৰ ধৰ্মীয় অনুভূতিত আঘাত কৰাটো সাম্প্ৰদায়িক নহয় নেকি? নে ৰাজনৈতিক ভাবে সত্যৰঞ্জন বৰাক এনে কামৰ কাৰনে স্পনছৰ কৰা হৈ আছে ? কেতিয়াবা বেয়া পোৱা ব্যক্তিৰ বক্তব্যটো সত্যতা থকা যেন লাগে। কেইদিনমান পূৰ্বে অসমৰ বিতৰ্কিত লেখিকা শিখা শৰ্মাই ফেচবুকত আপডেট দিছিল "সত্যৰঞ্জন বৰা হিমন্ত বিশ্বৰ প্ৰডা" নেকি ?" সত্যতা প্ৰতিপন্ন কৰা কঠিন যেন লাগিলেও বাক্যটি মিছা বুলি ভাবিবলৈয়ো টান লাগিল।

(আঠপৃষ্ঠাত চাওক)

## অসম-মিজোৰাম সীমা বিবাদৰ

উলিয়াব। প্ৰয়োজনত সময়ে সময়ে দুই ৰাজ্যৰ মাজত মুখ্যমন্ত্ৰী পৰ্যায়তো বৈঠক অনুষ্ঠিত হ'ব। অমিত শ্বাহে এই বৈঠকখনত দুয়ো ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা শীৰ্ষ বিষয়াসকলৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অমিত শ্বাহৰ উদ্যোগতেই এই গোটেই আলোচনা হয়। তেওঁ লগতে কয় যে এই বৈঠকখন আছিল মুখ্যমন্ত্ৰী পৰ্যায়ৰ বৈঠক। বৈঠকত অসম আৰু মিজোৰামাৰ সীমা সমস্যাৰ বিষয়ত আলোচনা কৰা হয়। উভয় ৰাজ্যই সীমান্তত শান্তি আৰু সম্ভাৱনা বৰ্তাই ৰখাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীৰ স্পষ্ট বক্তব্য- অসম-মিজোৰাম সীমা সমস্যাৰ স্থায়ী সমাধানৰ বাবেই কমিটী গঠনৰ সিদ্ধান্ত লোৱা হৈছে। এই কমিটীত বিৰোধী দলৰ প্ৰতিনিধিকো সামৰি লোৱা হৈছে। অসমৰ কমিটীখনত সদস্য কোন কোন হ'ব সেয়া অসম চৰকাৰে নিৰ্ণয় কৰিব। ঠিক তেনেদৰে মিজোৰামৰ কমিটী মিজোৰাম চৰকাৰে নিৰ্ধাৰণ কৰিব।

## গুজৰাটত প্ৰধানমন্ত্ৰী গতিশক্তি

একত্ৰিত আৰু অবিৰত সংযাগে প্ৰদান কৰিব। এই বৃহৎ পদক্ষেপে ভ্ৰমণৰ সময় আৰু লজিষ্টিক ব্যয় হ্ৰাস কৰিব, যাগোন শৃংখলা উন্নত কৰিব আৰু বিশ্ব বজাৰত ভাৰতৰ স্থানীয় সামগ্ৰীসমূহৰ স্থিতি সুদৃঢ় কৰাতাে শক্তিশালী ভূমিকা পালন কৰিব।আজিৰ এই উদ্বোধনী অধিৱেশনত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বনন্দ সাণোৱোলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মাদোৰ দূৰদৰ্শী নীতিয়ে কেনেদৰে ভাৰতক এক নতুন পৰিচয় প্ৰদান কৰিছে তাৰ ওপৰত আলাকেপাত কৰে আৰু দেশখনক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ দেশ হিচাপে গঢ়ি তালোৰ দিশত মাদোজীয়ে কিদৰে বলিষ্ঠ ৰূপত আগুৱাই লৈ গৈছে, সেই সন্দৰ্ভত বক্তব্য ৰাখে। "প্ৰধানমন্ত্ৰী গতিশক্তি কেৱল সংযাগোকৰণ বা একত্ৰিত প্ৰচেষ্টাই নহয়, দেশৰ সকলাে ৰাজ্যক লগত লৈ ভাৰতক শক্তিশালী কৰাৰ বাবে এয়া এক বৃহৎ পদক্ষেপট" -কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। " প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মাদোৰ কাৰ্যকালত দেশবাসীয়ে প্ৰতিদিনে নতুন পৰিৱৰ্তন প্ৰত্যক্ষ কৰি আহিছে আৰু বিকাশক ওচৰৰ পৰা দেখিছে। এয়া এক বৃহৎ সাফল্য।"- কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। "আঞ্চলিক সন্মিলনত দেখুওৱা প্ৰেজেন্টেচনটোৰ বিষয়ে পূৰ্ণ উপলব্ধি কৰাৰ বাবে আমি ইয়াক পঞ্চায়ত পৰ্যায়লৈ লৈ যাব লাগিব। যেতিয়া সৰ্বস্তৰৰ নাগৰিক ইয়াৰ সৈতে জড়িত হ'ব, তেতিয়া প্ৰগতিয়ে অধিক গতি লাভ কৰিবলৈ সক্ষম হ'ব আৰু এয়া টীম ইণ্ডিয়াৰ ঐক্যবদ্ধ শক্তিৰে কাম কৰিলেহে সম্ভৱ হৈ উঠিব।"- সৰ্বানন্দ সাণোৱোলে ভাষণ প্ৰসংগত উল্লেখ কৰে। ভাৰত চৰকাৰ, গুজৰাট চৰকাৰ আৰু মহাৰাষ্ট্ৰ, গাৰো, ৰাজস্থান, মধ্য প্ৰদেশৰ দৰে অন্যান্য ৰাজ্যৰ জ্যেষ্ঠ বিষয়া আৰু উদ্যোগ তথা শিক্ষাক্ষেত্ৰৰ প্ৰতিনিধিসকলেও সন্মিলনখনত অংশগ্ৰহণ কৰে।



# কবিতাৰ শিতান

## লুইত তোমাক প্ৰণাম


ময়ূৰাক্ষী গগৈ
যোৰহাট



অসম আৰু অসমীয়াৰ
প্ৰাণ স্বৰূপ তুমি
বৰলুইত।
তোমাৰ বুকুয়েদিই
নানা জাতি-উপজাতি আহি
গঢ়ি উঠিল অসমীয়া জনগোষ্ঠী।
লুইত, তোমাৰ অবিহনে
অসমীয়াৰ কোনো অস্তিত্বই নাই।
তোমাৰ বুকুতেই সৃষ্টি
সংস্কৃতিৰ ভঁৰাল
বৃহত্তম নদীদ্বীপ মাজুলী।
আকৌ তোমাৰ বুকুতেই
শোভাবৰ্দ্ধন কৰিছে
ক্ষুদ্ৰতম নদীদ্বীপ উমানন্দই।
তুমি অসমীয়াৰ ইতিহাস।
তোমাক শত সহস্ৰ প্ৰণাম।

## "পূৰাৰ বেলিটি"

হিমাদ্ৰী বৰকটকী



উঠিয়েই দেখিলোঁ
পূৰাৰ বেলিটি
ভুমুকি মাৰিছে
কুঁৱলী ফালি
যেন মোৰ ফালে
চাই হাঁহি মাৰি
ইমান ধুনীয়া
সেই হাঁহিটি
মোৰ মন প্ৰাণ
নিলে হৰি
আপোন পাহৰা হৈ
মই চাই ৰলোঁ
সপোন সাগৰত মই
ডুব গলোঁ...

## শৰৎ

লক্ষী প্ৰসাদ ৰেগন



এৰি থৈ অহা বহুতো শৰৎ
আৰু মোৰ কিবাকিবি মন। তুমিয়েই
কৈছিলা শৰৎ
পুৱা গধুলি মই ৰূপ সলাও
নিশাৰ জুই আৰু দিনৰ পাহাৰ
মই চকু দুটাকে মানি ল'ব
নোৱাৰো। আচলতে কি
ওচৰ পাওঁ পাওঁ
তথাপি চুই চাবলৈ নোৱাৰো
কাৰোবাক মনৰ কথা ক'বলৈ কিয়
জানো
শৰতৰ আবেলিবোৰ অতি উত্তম
প্ৰিয়জনক কাষত পালে মন খুলি
ক'ব পাৰি
এয়াই শৰৎ। শৰৎ মানেই সকলো
আকৌ আহিম মই শৰতৰ সৈতে
ৰাধাজনী হে তুমি মোক বাট চাবা
আৰু ক'বা
শৰৎ মানেনো কি
মোৰ বুকুত হাত থ'লেই গম পাবা
আৰু নুসুধিবা
শৰৎ মানেনো কি ?
শৰৎ মানেনো কি ?

## তৰা হৈ হাঁহিছে

প্ৰস্তুতি শৰ্মা



আজি লতাশিলে কান্দিছে বিহু
বলীয়া পোনাকন
আজি লতাশিলত নাই,
কান্ধত ঢোলতো লৈ সকলোৰে
লগত নাচি ভাল পোৱা
পোনাকন এইবাৰ অজান দেশ লৈ
গুচি গ'ল,
হাঁহি বুলীয়া মুখেৰে চিৰদিনলৈ,
আধৰুৱা হৈ ৰ'ল লতাশিল বিহু।
তেওঁ য'তেই আছে কুশলে থাকক,
এইয়াই আমাৰ কামনা।।

## নুবুজা সাঁথৰ..


নন্দেশ্বৰ মিলি



চৌদিশে কি কলৰৱ
নিনাদিত আকাশ-পাতল
কঁপিছে বসুমতীৰ বুকু
থৰ্-থৰকৈ।
হাঁড় কঁপোৱা
ইমান জাৰ
ভেঁদিছে প্ৰাণ
সীমাহীন বাট নেওচি
কি ৰণ লাগিছে
সেই সেনানী দল।
জোতা-বন্দুক
কিহৰ ঝন্ ঝননি
হৰিছে নিদ্ৰা
ভাঙিছে নিঃশব্দ
অৰণ্যৰ জয়াল নিশাত
কি ফান্দ পাতিছে
সেই নেদেখা বিধাতা।
ৰাখে হৰি মাৰে কোন
মাৰে হৰি ৰাখে কোন
অবুজ সাঁথৰ প্ৰশ্ন।

## একাঁজলি প্ৰেম

ইন্দ্ৰজিৎ বুঢ়াগোহাঁই



মোৰ হৃদয়ৰ শেৱালিজোপাৰ তলসৰা
শেৱালি বুটলিবলৈ অহাৰ দিনৰ পৰাই
মই তোমাক ভাল পাওঁ।
তোমাৰ আলফুলতাত, শেৱালিবোৰো যেন লাজুক হৈ পৰিছিল।
সিহঁতে কও নকওঁকৈ যেন কৈ গৈছিল--
মই তোমাক ভালপোৱাৰ কথা।
একাঁজলি হলেও মই তোমাৰ প্ৰেমত সন্তুষ্ট ।।
তোমাৰ চাৱনিয়ে হিয়া পমায়।
হৃদয় হৃদত মৰম ফুল ফুলায়।।
কল্পনাতে উটুৱাই লৈ যায় দূৰ দিগন্তৰ সিপাৰলৈ ।
য'ত হেপাহৰ সপোন বোৰ একেলগে ৰচিম।
প্ৰেমৰ মালাদাল একেলগে গুঠিম ।।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# অসম লোকসেৱা অধিকাৰ
# সেৱাৰ নিশ্চিতি, জনতাৰ সবলীকৰণ

rtps.assam.gov.in

সহঁাৰি XOHARI



## উপলব্ধ সেৱাসমূহ
## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

- বিবাহ পঞ্জীয়ন
- সম্পত্তিৰ নথি-পত্ৰৰ পঞ্জীয়ন
- সম্পত্তিৰ মালিকীস্বত্বৰ পৰিৱৰ্তন
- ভূমি ৰেকৰ্ডৰ প্ৰামাণিক প্ৰতিলিপি
- নন-এনকম্ব্ৰেন্স প্ৰমাণপত্ৰ
- পঞ্জীভুক্ত বিক্ৰী দলিলৰ প্ৰামাণিক প্ৰতিলিপি
- পৰিৱৰ্তন ক্ৰমৰ প্ৰামাণিক প্ৰতিলিপি
- নিখুঁত বিভাজন
- ভূমিৰ পুনৰ শ্ৰেণী বিভাজনৰ বাবে এন অ' চি
- পুনৰ শ্ৰেণী বিভাজন তথা স্থানান্তৰৰ বাবে এন অ' চি
- স্থাৱৰ সম্পত্তি স্থানান্তৰৰ বাবে এন অ' চি

JANASANYOG- 2541/21

সবিশেষ জানিবলৈ/সহায়ৰ বাবে
এ আৰ টি পি এছ হেল্পলাইন নম্বৰ ১৮০০-৩৪৫-৩৫৭৪ ডায়েল কৰক

অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (২০১৯ চনৰ সংশোধন অনুসৰি)

পঞ্জীয়ন কৰক : assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow us /@diprassam https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

১১ আঘোণ, ১৪২৭ চন Rongili Barta, Date of Publication-- 28 November, 2021

## অসমৰ ৰাজনৈতিক বিন্যাস

সক্ষম হৈছে। মানৱ সৰবৰাহ, দুৰ্নীতি, ড্ৰাগছ, দালালৰ বিৰুদ্ধে নিৰন্তৰ অভিযানে নৱপ্ৰজন্মৰ সন্মুখত এখন আলোকময় অসমৰ স্বপ্ন তুলি দিবলৈ সক্ষম হৈছে। আনহাতে, শিৱসাগৰ মহাবিদ্যালয়ত প্ৰদান কৰা বৌদ্ধিক ভাষণ তথা শুৱালকুছিত মহাপুৰুষ শংকৰদেৱৰ বিষয়ত দিয়া সাৰগৰ্ভ ভাষণে ৰাজনীতিকৰ দৰ্শন কেনে হোৱা উচিত, সেই কথাও আজি মুখ্যমন্ত্ৰীগৰাকীয়ে দেখুৱাই দিবলৈ সক্ষম হৈছে। অসমখনক অধিক ক্ষিপ্ৰগতিৰে আগুৱাই নিবলৈ সাপ্তাহিক কেবিনেটত লোৱা প্ৰতিটো সিদ্ধান্তেই জনগণৰ সৰ্বাত্মক স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে গ্ৰহণ কৰিছে। সেই কথাবোৰে মানুহৰ মানসিকতাত প্ৰভাৱ পেলাইছে। ইয়ে সমাজখনলৈ ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। ক্ষমতাই যে ৰাজনীতিকক অধিক দায়বদ্ধ হ'বলৈ শিকায়, সেই কথা শাসকীয় মন্ত্ৰী বিধায়কসকলে দেখুৱাই দিবলৈ সুযোগ লাভ কৰিছে। প্ৰতিখন আঁচনিৰে হিতাধিকাৰী সকলে প্ৰতিমাহৰ দহ তাৰিখে প্ৰত্যক্ষ হস্তান্তৰৰ জৰিয়তে নিজৰ প্ৰাপ্য লাভ কৰাটোৱে আজি চৰকাৰী আঁচনিৰ ফলপ্ৰসু দিশটোকে প্ৰতীয়মান কৰিছে। ঠিক একেদৰে বেদখল উচ্ছেদৰ জৰিয়তে চৰকাৰখনে সাহসিকতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। 'মিছন বসুন্ধৰা'ৰ জৰিয়তে দীৰ্ঘদিনীয়া ভূমি সমস্যা সমাধানৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপে ৰাজহ ব্যৱস্থাটোৰ ক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তন সাধন কৰিব। প্ৰশাসনৰ প্ৰাণকেন্দ্ৰস্বৰূপ হৈছে ৰাজ্যিক সচিবালয়। জনসাধাৰণে নিজৰ কামৰ বাবে সচিবালয়লৈ আহিবলগীয়া হয়। ইয়াৰ ফলত অৰ্থ আৰু সময়ৰ অপব্যৱহাৰ হয়। জনসাধাৰণে যাতে ফাইলৰ বাবে দিছপুৰলৈ আহিবলগীয়া নহয়, দুৰ্ভোগ ভুগিবলগীয়া নহয় আৰু দীৰ্ঘদিনীয়া ফাইলসমূহৰ মীমাংসা কৰাৰ বাবে 'সদ্ভাবনা' নামৰ এখন আঁচনিৰ শুভাৰম্ভ কৰিছে। ইয়ে ভৱিষ্যতে জনসাধাৰণৰ ঘৰৰ পৰা অনলাইনযোগে নিজৰ সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰি তুলিব। যোৱা ছমাহত শান্তিৰ বাতাৱৰণে উন্নয়নৰ নতুন দিশ মুকলি কৰিছে। অস্ত্ৰ সমৰ্পণ কৰি গণতন্ত্ৰৰ প্ৰতি আস্থাশীল হৈ পৰিছে। সমাজৰ দুৰ্বল শ্ৰেণী, বৃদ্ধ-বৃদ্ধা, যুৱপ্ৰজন্ম, মহিলাকে ধৰি সকলোৱে সম-সুবিধা আৰু বিকাশৰ সুযোগ লাভ কৰা বাবেই সামগ্ৰিক ৰাজনৈতিক চৰিত্ৰই নতুন দিশেৰে গতি কৰিবলৈ আৰম্ভ কৰিছে। জনসাধাৰণে ভৱিষ্যতৰ অসমৰ স্বপ্ন দেখিবলৈ আৰম্ভ কৰাটোৱে হৈছে এক ইতিবাচক দিশ। এনেবোৰ বিষয় ৰাজনীতিকসকলেও অনুধাৱন কৰিবলৈ বাধ্য হৈ পৰিছে। কথাৰে নহয়, কৰ্মৰে মুখ্যমন্ত্ৰীয়ে যি আদৰ্শ আৰু দৰ্শন দেখুৱাইছে, তাৰ জৰিয়তে বিৰোধী ৰাজনীতিকসকল বিজেপিৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। অনাগত দিনত ইয়ে ৰাজনৈতিক ক্ষেত্ৰখনক এক নতুনত্ব প্ৰদান কৰাটো সুনিশ্চিত।

## সম্প্ৰতি অসমত

কেৱল ধৰ্মক লৈ, হিন্দুত্ববাদক লৈ শাসনৰ বাঘজৰী খামুচি ধৰি ৰাখিবলৈ সত্যৰঞ্জ ন বৰাৰ দৰে এজন ব্যক্তিৰ বাৰুকৈয়ে প্ৰয়োজন । নহ'লে একেধৰনৰ বক্তব্য প্ৰদান কৰি মৌলানা আমিনুল ইছলাম আৰু মৌলানা ফজলুল কৰিম কাছিমী জেল হাজোতলৈ গৈছিল আৰু সত্যৰঞ্জ ন বৰাই ওলোটাকৈ নিৰাপত্তাৰক্ষীহে পুৰস্কাৰ স্বৰূপে পাইছে।

চ'চিয়েল মেডিয়া খুলি ল'লেই দেখা যায় হিন্দু-মুছলমান যুৱক যুৱতী সকলে এইখন ধৰ্মান্ধতাৰ ফাগুত বাৰুকৈয়ে ভৰি দিছে।ধৰ্ম কোনো নাগৰিকৰেই ৰাজহুৱা পৰিচয় নহয়। যিসকলে ধৰ্মক ৰাজহুৱা ভাবে প্ৰতিষ্ঠা কৰিবলৈ আন ধৰ্মক ঘৃনাৰ ভাব দেখুৱাবলৈ কুণ্ঠাবোধ নকৰে বাস্তৱিকতে সেই সকলে ব্যক্তিগত জীৱনত ধৰ্ম পালন নকৰে।

ধৰ্মীয় উগ্ৰতাই সমাজ তথা জাতীয় জীৱনত শান্তি, সমন্বয় আৰু সম্প্ৰীতি পুলিয়ে পোখাই উভালি পেলায়। ধৰ্মীয় উদাৰতাই কোনো ভেদাভেদ নোহোৱাকৈ শান্তি, সমন্বয় আৰু সম্প্ৰীতিৰ সমন্বয়ত সমাজ তথা জাতীয় জীৱন গঢ়াত প্ৰভূত সহায়ক হয়। সেই কাৰনেই কিজানি মহাপুৰুষঞ্জ ীমন্ত শংকৰ দেৱৰ শিষ্যত্ব গ্ৰহন কৰিবলৈ চাঁদ খা সমৰ্থ হৈছিল, মুছলমান হোৱাৰ পিছতো ৰূপাই গৰীয়াই আজান ফকিৰৰ চকু কাঢ়িছিল কিন্তু অইন ধৰ্মৰ হোৱাৰ পিছতো আহোম স্বৰ্গদেৱে শ'ৰাগুৰি চাপৰিত আজান ফকিৰক বসবাস কৰিবলৈ ঠাই দিছিল ।এনে অলেখ উদাহৰন আছে।

সাম্প্ৰতিক সময়ত আমাৰ অসমত শান্তি, সমন্বয় আৰু সম্প্ৰীতিৰ এনাজৰী ডাললৈ সংকট নামি আহিছে। সেয়ে মাতৃভূমিৰ উন্নয়নৰ ক্ষেত্ৰত ধৰ্ম, জাতি, গোষ্ঠী নিৰ্বিশেষে সকলোৱে আগবাঢ়ি আহিলেহে বাস্তৱত সোনৰ অসম গঢ় লৈ উঠিব।

## প্ৰহেলিকা

মুখখন বাৰে বাৰে চকুৰ আগত ভাঁহি উঠিবলৈ ধৰিলে। দেউতাকৰ চিকিৎসা কৰি থকা ডাক্তৰজনৰ ফোন নম্বৰটো মাকৰ পৰা সংগ্ৰহ কৰি এষাৰ কথা হোৱাৰ কথা চিন্তা কৰিলে।

— মা, দেউতাৰ চিকিৎসা কৰা ডাক্তজনৰ ফোন নম্বৰটো তুমি জানানে বাৰু ?

কাষৰ ৰুমতে ৰান্ধি থকা মাকে মাত লগালে।

— ডাক্তৰৰ প্ৰেছক্ৰিপনখনতে লিখা আছে। তই কথা পাতিবি নেকি ? মাকৰ কথাৰ উত্তৰ হিচাপে কেৱল 'ও' বুলিহে কৈ থলে হৰেনে।

কিছুমান অনৰ্থক কথাই তথা অসংলগ্ন চিন্তাই হৰেনক জুমুৰি দি ধৰিলে। লকডাউনৰ সময়ত নাগৰিকে মানিবলগীয়া নিয়মৰ কথাবোৰ শুনাৰ পৰা তাৰ মনৰ অস্থিৰতা বাঢ়িব ধৰিলে। সামাজিক দুৰত্ব মানি চলাৰ উপদেশবোৰ মনটো বেছিকৈ ভাৰাক্ৰান্ত কৰিলে। ক্ষন্তেকৰ বাবে সকলো চিন্তা বাদ দি সহজ হৈ মাকে কোৱা ধৰণে ডাক্তৰৰ প্ৰেছক্ৰিপনখন বিচাৰি আনিলে। ওপৰে ওপৰে দৰবৰোৰৰ নামবোৰ পঢ়িলে যদিও লাভদৰে বুজি নেপালে। কাগজখনত ওপৰত সোঁফালে থকা ডাক্তৰৰ নাম আৰু ম'বাইল নম্বৰটো চকুত পৰিল। ডাক্তৰৰ লগত এবাৰ কথা পতাৰ বাবে ফোন নম্বৰটো ডায়েল কৰিলে। কিন্তু ফোন কৰা নম্বৰটোৰ পৰা উত্তৰ নেপাই মনটোত বেজাৰ পালে। ডাক্তৰবোৰ ব্যস্ত মানুহ সেইটো সকলোৱে জানে। কিন্তু ফোনত কথা পাতিবতো পাৰে। আমেৰিকাত চিকিৎসা কৰোঁৱাৰ কথাবোৰ বেলেগ। সেয়া ইয়াততো নহয়। নে অসমত চিকিৎসাও....। ভাবনাৰ যতি পৰিল যেতিয়া হঠাৎ ম'বাইলটো বাজি উঠিল।

— মই ডাঃ হাতীমতাই কৈছোঁ। আপুনি এই নম্বৰত ফোন কৰিছিল নেকি ?

হৰেনে মনৰ আনন্দতে একে উশাহতে কৈ পেলালে।

— হয় হয়। মইয়ে ফোন কৰিছিলোঁ। আপুনি মোৰ দেউতাৰ চিকিৎসা কৰি আছে নহয় জানো ?

— আপোনাৰ দেউতা মানে কাৰ কথা কৈছে ? মই ভালদৰে ধৰিব পৰা নাই। আপোনাৰ দেউতাৰ নামটো ক'ব নেকি ? বহুতো ৰোগী চাওঁ নহয়। গতিকেস্বস্থ.

— নিশ্চয়। মইও যে আৰু। দেউতাৰ নাম দেবেন দাস। অৱসৰ প্ৰাপ্ত জিলা উপায়ুক্ত। দক্ষিণ শৰনীয়াত ঘৰ।

— আৰু তই হৰেন নহয়নে বাৰু ? সিমুৰৰ পৰা ভাঁহি অহা কথাত হৰেন উচাপ্ খাই উঠিল আৰু চিঞৰি ক'লে।

— মানে ?

— মানে কি ? মই ৰমেনে কৈছো। পাহৰিলি নেকি ? আমেৰিকালৈ গৈ আমাক মনৰ পৰা বিদায় দিলি ?

— আৰে ৰমেন, কি কৈ আছ এইবোৰ। তোক পাহৰি যোৱাৰ কথা কেনেকৈ মনত আহিল ? কিন্তু কচোন, তই ডিব্ৰুগড়ৰ অসম চিকিৎসা কলেজত আছিলি দেখোন। এতিয়া গুৱাহাটীত যে!

— সেয়া বহুত কথা অ'হৰেণ। চৰকাৰে বাৰে বাৰে মোক এইখন হাস্পতালৰ পৰা আনখনলৈ বদলি কৰাৰ বাবে বৰ অসুবিধা পালোঁ। শেষত চাকৰি এৰি দিলোঁ আৰু এতিয়া ইয়াত এখন ব্যক্তিগত হাস্পতালত কাম কৰি আছোঁ বৰ্ত্তমান আৰু ট্ৰেন্সফাৰৰ চিন্তা নাই।

কৌতুহল দমাব নোৱাৰি হৰেণে ক'লে।

— গুৱাহাটীয়া হ'লি তাৰ মানে। ক'ত ঘৰ কৰিলি ?

— সেইবোৰ সকলো ক'ম দে। পিচে তই কেতিয়া আহিলি ? লগতে কোন আহিছে ?

ৰমেনৰ কথা শুনি হৰেণ আচৰিত হ'ল। এইবাৰ সি কি কৈছে। কলেজীয়া সময়ৰ কথাবোৰ সি বন্ধু হিচাপে ভালদৰে জানে দেখোন। নে কিবা বেলেগ সন্দেহ কৰিছে? মনৰ খুঃদুৰনি মৰাৰ বাবে খং কৰি ৰমেনক উভটি ধৰিলে।

— পাগল হৈছ নেকি? কি বকি আছ? তইতো দেখোন মোৰ সকলো কথা জান।

সহজ কৰি দিয়াৰ উদ্দেশ্যৰে ৰমেনে উত্তৰ দিলে।

— খং উঠিছে নেকি? তামচা কৰিছোঁ অ'। দুবছৰৰ মূৰত তোৰ মাতটো শুনিছো যে সেয়েহে- ৰমেনৰ কথাখিনি শেষ হ'ব নিদিলে হৰেণে। ক'লে-

— বাৰু তোক ক'ত লগ পাম কচোন। ডাক্তৰ মানুহ, নিশ্চয় ব্যস্ত। দেউতাৰ অসুখৰ বিষয়ে অলপ কথা পাতিব খুজিছো অ' তোৰ লগত।

— কিয় কিবা অসুবিধা হৈছে নেকি?- ৰমেনে সুধিলে।

— সুবিধা অসুবিধাৰ কথা নহয় অ'। মই জানিব বিচাৰিছো দেউতাৰ স্বাস্থ্যৰ বিষয়ে।

ৰমেনে লগে লগে হৰেণৰ কথা শেষ হবলৈ নিদি চিঞৰি ক'লে- -হ'বদে। ইমান চিন্তাৰ কোনো কাৰণ নাই। বয়সো হৈছে। তাতে ডায়বেটিক ৰোগী। চাৰিওফালে কৰুণা মহামাৰীয়ে মানুহক আতংকিত কৰিছে। সেয়েহে অলপ সাৱধানে থকা কথা কৈছোঁ। পিচে তোৰ দেউতাৰাৰ বজাৰ কৰা লক্ষণটো আছে নহয়। গতিকে বাহিৰলৈ ওলাব মানা কৰিবি।

— কিন্তু ৰমেন, ভাই এটা কথা বুজি নাপালোঁ। মোক ইমান ল'ৰালৰিকৈ কিয় আহিব ক'লে ।

— অ' বুজিলো। তোৰ চিন্তা কৰবাত। বিয়াখন পাতি নেপেলাৰ কিয়? আমেৰিকাত হোৱা বেমাৰৰ প্ৰাদুৰ্ভাৱৰ বাতৰি চাই চাই মা-দেউতাৰাৰ মন বেয়া হৈ গৈছে। সেয়েহে তোক মতাৰ কথাটো ময়েই ক'লো। এতিয়া বুজিলি।

— বদমাছ। তোক মই...

— হ'ব হ'ব। গালি পাৰ বা যি কৰ কৰিবি। অলপ পিচত মই গৈ আছোঁ তোৰ ওচৰত। এতিয়া ফোন ৰাখিলো।

ৰমেনে ফোনটো কাটি দিলে। মনৰ আনন্দত মাকক চিঞৰি মাতিলে হৰেণে-

— অ'মা, ৰমেন আমাৰ ইয়ালৈ আহি আছে। বহুত দিনৰ মূৰত তাক লগ পাম। তুমি তাৰ বাবেও খোৱাৰ ব্যৱস্থা কৰা।

পাকঘৰৰ পৰা মাকে মাত লগালে- হ'ব দে। ৰমেন আহি পোৱাৰ আগে আগে গাটো ধুই লোৱাৰ আশাৰে হৰেণ বাথৰুমত সোমাল।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286